# শব্দ

অনাখৰী মানুহৰ কান্ধত ভৰ দি
শব্দ আহিছে হিলদল ভাঙি
কালাতীত হৈ গৰকি আহিছে
মানুহৰ ভূগোল বুৰঞ্জী।

শব্দ ব্ৰহ্ম
শব্দ অমৰ
শব্দ অমোঘ মন্ত্ৰ।

শব্দই মানুহক মানুহ কৰিছে,
এক কৰিছে,
অনুভূতিত মাত্ৰা দিছে
যুগে যুগে অভিজ্ঞতাৰ ভৰাঁল চহকী কৰিছে!

শব্দ মানুহৰ শিপাৰ পৰিচয়
ইয়াতেই ভৰ দি মানুহে আদিম পুৰুষকো বিচাৰি পাইছে।
আজিৰ যুগৰ সন্ধিক্ষণে আমনি কৰে
আমি আমাৰ উত্তৰ পুৰুষক কি শব্দ দান দি যাম !?

----- আলোক কুমাৰ দাস